# সামাজিক দ্বাৰাই ঈশ্বৰৰ আদেশ প্ৰচাৰ কৰা

## যীচুক আপোনাৰ বন্ধুবৰ্গলৈ নিয়ক

ল’ৰা-ছোৱালীক শিক্ষা দিয়া সকলে অধ্যয়ন W1a পঢ়ক।

১। **ঈশ্বৰৰ ব্যাকেৰে আপোনাৰ অন্তৰ আৰু মন প্ৰস্তুত কৰক, যাতে যেন তেওঁবিলাকৰ বন্ধু আৰু পৰিয়ালবৰ্গলৈ সাক্ষ্য হোৱাত আপোনাৰ মণ্ডলীক আপুনি সহায় কৰিব পাৰে।**

“হে মৰমিয়াল, পবিত্ৰ আত্মা, আমাৰ বন্ধুবৰ্গলৈ আমাৰ পুনৰুত্থিত ত্ৰানকৰ্ত্তা যীচু খ্ৰীষ্টক নিবলৈ আপোনাৰ ক্ষমতা আমাক দিয়ক।”



পাঁচনিৰ কৰ্ম্ম ১০ অধ্যায়ত চাওক, আন এখন চহৰ আৰু সংস্কৃতিৰ মাজত এটা নতুন মণ্ডলী জন্ম হোৱাত কি ঘটিল।

- এই ঘটনাৰ নিমিত্তে ঈশ্বৰে লোকবিলাকক প্ৰস্তুত কৰিবলৈ আৰম্ভ কৰোঁতে, পিতৰ আৰু কৰ্ণীলিয়ই কি কৰিছিল?
- কৰ্ণীলিয়ই প্ৰাৰ্থনা কৰোঁতে, দূতে তেওঁক কি কৰিবলৈ কৈছিল?



- কৰ্ণীলিয়ই পঠোৱা সৈন্যবিলাক জপা আহি পোৱাত, ঈশ্বৰে পিতৰক প্ৰস্তুত কৰিলে, পৰজাতিৰ লোকৰ ঘৰবোৰত সোমাই তেওঁলোকৰ ঘৰত খাবলৈ মানা কৰা আহাৰ খালে। দৰ্শনত পিতৰে কেনে এক ভয়ঙ্কৰ বিষয় দেখিলে।
- দৰ্শনত ঈশ্বৰে পিতৰক অশুচি জন্তুবোৰ খাবলৈ কোৱাত, তেওঁ বুজি পালে যে তেওঁ সকলো জাতিৰ লোকক মান আদৰ কৰিব লাগে। কৈচৰিয়াত থকা কৰ্ণীলিয়ৰ ঘৰলৈ পিতৰৰ লগত কোন গৈছিল?

  পিতৰ আৰু তেওঁ সঙ্গী কৈচৰিয়াত উপস্থিত হোৱাত কৰ্ণীলিয়ৰ ঘৰত কাক ৰৈ থকা তেওঁলোকে পালে?
- কৰ্ণীলিয়ৰ নলেগলে লগা বন্ধু আৰু পৰিয়ালক যীচুৰ বিষয়ে কি শেষ কথা পিতৰে জনাইছিল?
- যীচুৰ জীৱন দায়ক পুনৰুত্থানৰ কথা ঘোষণা কৰি থাকোঁতে, শুনোতা বিলাকৰ ওপৰলৈ পবিত্ৰ আত্মা আহিল। পিতৰ আৰু তেওঁৰ সহ-কৰ্ম্মী সকলে তেওঁলোকৰ বিশ্বাস আৰু অনুতাপ কিদৰে দৃঢ় কৰিছিল?




- নতুন বিশ্বাসীসকল বাপ্তাইজিত হোৱা পিছত কিমান দিনলৈ পিতৰ তাত আছিল?
- খ্ৰীষ্টলৈ তেওঁলোকৰ বাধ্যতা হবৰ কাৰণে পিতৰ আৰু তেওঁৰ সহায়কাৰী সকল তাত আৰু “কিছু দিন থাকিল”। পিতেৰ দামী সৰঞ্জামবোৰ ব্যৱহাৰ কৰি- ছিলনে ? সহজ-সৰল মানুহবিলাকে বুজি নোপোৱা অত্যাধুনিক কৌশল সাক্ষ্য- দিওঁতে ব্যৱহাৰ কৰিছিলনে ?
- এই ছবিখনত কি ভুল আপুনি দেখিছে ?

*(উত্তৰ ঃ নতুন বিশ্বাসী সকলে পালন কৰিব পৰাকৈ ছবিত দিয়া প্ৰচাৰক জনে খ্ৰীষ্টৰ বিষয়ে কোৱাত সমৰ্থ হোৱা নাই। এজনৰ পৰা আন জনলৈ সেই বাৰ্ত্তা যোৱাত তেওঁ কৃতকাৰ্য হোৱা নাই। পিতৰৰ দৰে, প্ৰচাৰকে আহিলা ব্যৱহাৰ কৰিলে, শুভবাৰ্ত্তা অনেক লোকবিলাকলৈ বিয়পি যায়। যীচুলৈ আকৰ্ষিত কৰিবলৈ কেতিয়াবা বিশেষ ধৰণৰ বাদ্য যন্ত্ৰৰে গীত-মাত হোৱা ভাল। তথাপি, গীত-মাত শুভবাৰ্ত্তা প্ৰচাৰৰ প্ৰধান প্ৰণালী হোৱা উচিত নহয়।)*

**২। সপ্তাহটোত কৰিব লগা কামৰ আঁচনি সহ-কৰ্ম্মী সকলৰ লগত কৰক।**

- খ্ৰীষ্টৰ কথা কবলৈ বিশ্বাসীসকলৰ বন্ধুবৰ্গ আৰু পৰিয়ালবোৰক চাবলৈ যোৱা আঁচনি কৰক।
- আটাইয়ে সাক্ষ্য কিদৰে হবলৈ পাৰে, ঈশ্বৰৰ পৰা সহায় বিচাৰক।
- যীচুৰ কথা এতিয়াও নুশুনা বিলাকক কবলৈ প্ৰচাৰ সকলৰ বাবে আঁচনি কৰক। তেওঁলোকে কৰ্ণীলিয়ৰ দৰে মানুহক বিচৰা উচিত, যাক ঈশ্বৰে শুভবাৰ্ত্তা শুনিবলৈ আৰু নিজৰ বন্ধুবিলাকৰ লগত ভগাই লবলৈ যুগুত ইচ্ছা কৰে।

**৩। হবলগীয়া উপাসনাৰ আঁচনি সহ-কৰ্ম্মী সকলৰ লগত কৰক।**

ঘটনা আৰু থলুৱা ৰীতি-নিয়মত খাপ খুউৱা কামবোৰ বাচি লওক। উদাহৰণ স্বৰূপে ঃ

পাঁচনিৰ কৰ্ম্ম ১০ অধ্যায়ৰ পৰা পিতৰ আৰু কৰ্ণীলিয়ৰ গল্পটো কওক নাইবা নাট কৰক।

১ম খণ্ডত কি পালে প্ৰশ্ন সোধক। পাঁচনিৰ কৰ্ম্ম ১০ অধ্যায়ত পোৱা সত্যতাৰ বিষয়ে কবলৈ বিশ্বাসী সকলক সহায় কৰক।

- শুভবাৰ্ত্তা প্ৰচাৰ প্ৰাৰ্থনাৰে আৰম্ভ হয়।
- শুভবাৰ্ত্তা গ্ৰহণ কৰোঁতা আৰু তেওঁলোকলৈ বাৰ্ত্তা নিয়া দুয়োকো ঈশ্বৰে যুগুত কৰে, যাতে দুয়ো পবিত্ৰ আত্মাৰ শক্তিৰে আদান-প্ৰদান কৰিব পাৰে।
- দুই বা অধিক খ্ৰীষ্টিয়ানে একলগে কাম কৰা উচিত। যীচু আৰু তেওঁৰ পাঁচনিবিলাকে কেতিয়াও অকলশৰে যাত্ৰা কৰা নাছিল।
- শুভবাৰ্ত্তা অতি সোনকালে পৰিয়াল আৰু ওচৰ সম্বন্ধীয় বন্ধুৰ মাজত বিয়পে।
- এইদৰে শুভবাৰ্ত্তা সহজে বিয়পি যাবলৈ, এনে প্ৰণালী ব্যৱহাৰ কৰক যেন বিশ্বাসী সকলে তৎক্ষণাত অনুকৰণ কৰিব পাৰে। উদাহৰণস্বৰূপে, পিতৰে কেৱল যীচুৰ বলিদান বিষয়ক মৃত্যু আৰু জীৱন দিয়া পুনৰুত্থানৰ বিষয়ে কৈছিল, যি যিকোনোৱে এই কথা কব পাৰে।
- নতুন বিশ্বাসী সকলৰ বিশ্বাস আৰু মন পালটন বাপ্তিস্মৰ দ্বাৰাই নিশ্চিত কৰক।
- যীচুৰ বাক্য পালন, নতুন বিশ্বাসত স্থাপন কৰিবলৈ নতুন বিশ্বাসীসকলৰ লগত অলপ দিন থাকক। যদিহে তাত কোনো মণ্ডলী নাই, তেনেহলে মণ্ডলীৰ ব্যৱস্থা কৰক।

**প্ৰাৰ্থনা কৰক,** যিসকল বন্ধু আৰু পৰিয়ালৰ লোকে এতিয়াও খ্ৰীষ্টত নতুন জীৱন আৱিষ্কাৰ কৰিব পৰা নাই।

**ঈশ্বৰৰ প্ৰশংসা কৰক,** যিসকল লোকে নকৈ খ্ৰীষ্টক বিশ্বাস কৰিলে অথবা সুস্থ হ'ল। ইয়াৰে সাক্ষ্য দিয়ক।

**মুখস্থ কৰক,** পাঁচনিৰ কৰ্ম্ম ১৬ঃ৩১

ল'ৰা-ছোৱালীয়ে প্ৰস্তুত কৰাখিনি মণ্ডলীৰ আগত পৰিবেশন কৰিবলৈ দিয়ক। সিঁহতে যুগুত কৰা যিকোনো প্ৰশ্ন বয়সীয়া সকলক সুধিবলৈ দিয়ক।

সপ্তাহটোত প্ৰচাৰৰ নিমিত্তে প্ৰস্তুত কৰা আঁচনিৰ জাননী দিয়ক। বিশ্বাসী সকলে কাৰ আগত আৰু কেতিয়া খ্ৰীষ্টৰ সাক্ষ্য দিব, সেই সিদ্ধান্ত লোৱাত সহায় কৰক।

বিশ্বসীসকলক দুই বা তিনিজনীয়া গোটত অলপ সময়ৰ বাবে গোট খাই প্ৰাৰ্থনা আৰু তেওঁলোকৰ আঁচনিৰ সিদ্ধান্ত কৰিবলৈ দিয়ক।



**প্ৰভু ভোজ স্থাপন কৰাত,** বৰ্ণনা কৰক কেনেকৈ ঈশ্বৰে পিতৰক অযিহুদী লোকৰ লগত ভোজন কৰিবলৈ কৈছিল, আৰু স্বৰ্গত যে খ্ৰীষ্টৰ গৌৰৱ উজ্জ্বল বিবাহ ভোজত সকলো জাতিৰ লোকক চামিল কৰা হ'ব। প্ৰভুভোজ সেই ভোজৰ আগেয়ে লোৱা সোৱাদ। সন্মানিত ব্যক্তি খ্ৰীষ্ট নিজে, যাক আমি মুখা-মুখিকৈ দেখা পাম।

Copyright 2004 © by Paul-Timothy. May be freely copied. Download from www.Paul-Timothy.net